# গালাতীয়া বিলাকৰ প্ৰতি পত্ৰ

**১** ১পাঁচনি পৌলৰ অভিনন্দন গ্ৰহন কৰিব। মোক পাঁচনি হিচাপে পঠোৱা হল, কিন্তু কোনো মানুহৰ দ্বাৰাই মোক মনোনীত কৰা হোৱা নাই। মই মানুহৰ পৰা কোনো ক্ষমতাও পোৱা নাই। কিন্তু মই এই ক্ষমতা যীচু খ্ৰীষ্ট আৰু পিতৃ ঈশ্বৰৰ, যি জনে যীচুক মৃত্যুৰ পৰা তুলিলে তেওঁৰ পৰা পালো। ২আৰু মোৰ লগত থকা সকলো বিশ্বাসী ভাইৰ হৈ গালাতীয়া মণ্ডলী বিলাকলৈ আভনন্দন।[a]

৩মই প্ৰাৰ্থনা কৰো যাতে আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ আৰু শান্তি তোমালোকৰ লগত থাকে৷ ৪যীচুৱে আমাৰ পাপৰ বাবে নিজ প্ৰাণ দিছিল, যাতে আমি নিবাস কৰি থকা এই মন্দ জগতৰ পৰা তেওঁ আমাক ৰক্ষা কৰিব পাৰে৷ আমাৰ পিতৃ ঈশ্বৰে ইয়াকে বিছাৰিছিলো৷ ৫যুগে যুগে ঈশ্বৰৰ মহিমা হওক৷ আমেন৷

### সত্য শুভৱাৰ্তা কেৱল মাত্ৰ এটাহে

৬অলপ কাল আগতেহে ঈশ্বৰে তেওঁৰ পাছত যাবৰ বাবে তোমালোকক মনোনীত কৰিছিল। তেওঁ তোমালোকক খ্ৰীষ্টৰ পৰা অহা অনুগ্ৰহৰ দ্বাৰাই মনোনীত কৰিছিল। কিন্তু মই এতিয়া আচৰিত হৈছো যে তোমালোক ইতিমধ্যেই আমি শিকোৱা সেই সত্য শুভৱাৰ্তাৰ পৰা আতৰি আন আন বাৰ্তাত বিশ্বাস কৰিছা। ৭এনে কোনো বাৰ্তা নাই যাক শুভবাৰ্তা বুলি কব পাৰি, কিন্তু কোনো লোকে তোমালোকক বিপথে পৰিচালিত কৰিছে। খ্ৰীষ্টৰ বিষয়ে যি শুভবাৰ্তা তাক তেওঁলোকে সলনি কৰিব বিছাৰিছে। ৮আমি তোমালোকৰ ওচৰত সত্য শুভৱাৰ্তা প্ৰচাৰ কৰিলো। গতিকে কোনোৱে যদি আন বাৰ্তা তোমালোকৰ ওচৰত প্ৰচাৰ কৰে তেওঁ শাপগ্ৰস্ত হওঁক — তেওঁ আমাৰ মাজৰ বা স্বৰ্গ দূত যেয়েই নহওক কিয়! ৯মই আগতেও এই কথা কৈছো। এতিয়া আকৌ মই কওঁ, তোমালোকে ইতিমধ্যে শুভবাৰ্তা গ্ৰহন কৰিলা। কোনোৱে যদি ইয়াৰ বাদে উদ্ধাৰৰ অন্য পথৰ কথা কয় তেওঁ শাপগ্ৰস্ত হওক।

১০মানুহ বিলাকে যি শুনিব বিচাৰে তাকেহে কোৱাৰ দৰে লাগিছে নেকি? নহয়, মই মানুহক নহয়, ঈশ্বৰকহে সন্তোষ্ট কৰিবলৈ চেষ্টা কৰিছো। যদি মই এতিয়াও মানুহ বিলাককে সন্তোষ্ট কৰিবলৈ চেষ্টা কৰি থাকিলো হেতেঁন, মই খ্ৰীষ্টৰ সেৱা কৰি নাথাকিলো হেতেঁন।

### পৌলৰ ক্ষমতা ঈশ্বৰৰ পৰা অহা

১১হে ভাই সকল, মই বিচাৰো তোমালোক যাতে জানা যে, মই যি শুভৱাৰ্তাৰ বিষয়ে তোমালোকৰ ওচৰত প্ৰচাৰ কৰিলো। ১২এই বাৰ্তা কোনো মানুহৰ পৰা পোৱা নাই। এই শুভবাৰ্ত এনেকোৱা নহয় যে মই কোনো মানুহৰ পৰা শিকিছো। যীচু খ্ৰীষ্টই নিজে ইয়াক মোক দিছে। কিন্তু লোক সমূহক ক'বৰ বাবে তেওঁ সেই শুভবাৰ্তা মোৰ আগত প্ৰকাশ কৰিলে।

১৩আগতে মই যেতিয়া যিহুদী ধৰ্মত আছিলো তেতিয়া মই যি যি কৰিছিলো তাক তোমালোকে শুনিছা। আৰু ঈশ্বৰৰ মণ্ডলীক কি দৰে অত্যাচাৰ কৰিছিলো তাক তোমালোকে জানা এনেকি মণ্ডলীক নিৰ্মূল কৰিবলৈ প্ৰয়াস পৰ্য্যন্ত কৰিছিলো।

১৪কিয়নো সেই সময়ৰ মোৰ বয়সৰ যিহুদী সকলতকৈ মই যিহুদী বিষয়ৰ ৰীতি নীতি সমূহ যথেষ্ঠত গুৰুৰ্ত সহকাৰে লৈছিলো। আৰু আমি যাতে আমাৰ পূৰ্ব পুৰুষ সকলে দি যোৱা বিধি বিলাক অনুকৰণ কৰো তাৰ বাবে আনতকৈ আধিক উৎসাহী আছিলো।

১৫কিন্তু মোৰ জন্মৰ আগেয়ে ঈশ্বৰে মোৰ বাবে বিশেষ পৰিকল্পনা কৰিছিল। তেওঁ মোক তেওঁৰ অনুগ্ৰহৰ দ্বাৰা বাছি ললে। ১৬তেওঁৰ পুত্ৰক চাব আৰু জানিবৰ বাবে যাতে মই তেওঁৰ বিষয়ৰ শুভবাৰ্তা অযিহুদী লোকসমুহৰ আগত প্ৰচাৰ কৰিব পাৰো। মই কোনো লোকৰ পৰা পৰামৰ্শ বা সহায় নিবিচাৰি এই কাৰ্য্যৰ বাবে তৎক্ষণাত সাজু হলো। ১৭এনে কি মোৰ আগেয়ে যিবিলাকক পাঁচনি হিচাপে পঠোৱা হৈছিল তেওঁলোকৰ সৈতে দেখা কৰিবলৈ মই যেৰুচালেমলৈও নগলো। তাৰ সলনি মই আৰবিয়ালৈ গলো। পিছত মই দম্মেচক নগৰলৈ উলটি আহিলো।

১৮তিনি বছৰ পাচত মই পিতৰক সাক্ষাৎ কৰিবলৈ যেৰুচালেমলৈ গলো। মই তেওঁৰ সৈতে পোন্ধৰ দিন থাকিলো। ১৯তাত মই প্ৰভুৰ ভাই যাকোবৰ বাহিৰে আন কোন পাঁচনিক লগ নাপালো৷ ২০ঈশ্বৰে জানে মই যি কথা লিখিছো তাৰ কোনোতোৱে মিছা নহয়৷ ২১পিছত মই চিৰিয়া আৰু চিলিচিয়াৰ অঞ্চল সমুহলৈ গলো।

২২ইয়াৰ পূৰ্বেই যিহুদাত থকা খ্ৰীষ্টৰ মণ্ডলীবোৰৰ কোনো ব্যক্তিয়ে মোক লগ পোৱা নছিল। ২৩তেওঁলোকে মোৰ সম্বন্ধে এইবুলি শুনিছিল, "এই মানুহজনে আগেয়ে আমাক তাড়না কৰিছিল। কিন্তু তেওঁ এতিয়া সেই একেই বিশ্বাসৰ বাক্য প্ৰচাৰ কৰিছে, যাক তেওঁ পূৰ্বেতে বিনষ্ট কৰিব বিচাৰিছিল৷" ২৪আৰু তেওঁলোকে মোৰ কাৰণে ঈশ্বৰৰ প্ৰশংসা কৰিলে৷

[a] **১:২ সয়তো** পৌলে প্ৰথম বাৰ প্ৰচাৰ অভিযানত যোৱাৰ সময়ত স্থাপন কৰা মণ্ডলী, পাচনি কৰ্ম ১৩ আৰু ১৪ অধ্যায়৷

## আন পাঁচনিবিলাকে পৌলক গ্ৰহণ কৰা

২ ১পাছে চৌদ্ধ বছৰৰ পিছত, মই তীতক লগত লৈ
বাৰ্ণব্বাচৰ হৈতে যেৰুচালেমলৈ আকৌ গৈছিলোঁ।
২মই তালৈ গৈছিলো কিয়নো ঈশ্বৰে মোক তালৈ যাবৰ
বাবে আজ্ঞা কৰিছিল। মই অযিহুদী সকলৰ আগত যি
শুভৰাৰ্তা প্ৰচাৰ কৰো তাৰ বিষয়ে বহলাই তেওঁলোকৰ
আগত কৈছিলো। তাৰ মাজৰ যি সকলক নেতা হিচাপে
গন্য কৰা হয়, মই তেওঁলোককো লগ কৰিছিলো। মই
বিচাৰিছিলো আমি যাতে বুজা বুজিত থাকো যাতে মই কি
কৰ্ম্ম অতীততে কৰিলো আৰু বৰ্তমান মই যি কৰিছো সি
যেন নষ্ট নহয়।
৩তীত, যিজন মোৰ সৈতে আছিল, তেওঁ এজন গ্ৰীক
লোক। তথাপিও এই পৰিচালক সকলে তেওঁক চুন্নত্
কৰিবৰ বাবে হেচা প্ৰয়োগ নকৰিলে। ৪আমি এইবোৰ
সমস্যাৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়োজন আছে, কিয়নো
আমাৰ মাজত গুপুতে এনে কিছুমান লোক সোমাই পৰিছে
যিয়ে নিজকে আমাৰ ভাই বুলি ভাও ধৰে। খ্ৰীষ্ট যীচুত থকা
সকলৰ দৰে আমাৰ কি স্বাধীনতা আছে তাক জানিবৰ বাবে
তেওঁলোক চোৰাংচোৰাৰ দৰে আহিছে। যাতে তেওঁলোকে
আমাক দাস কৰিব পাৰে৷ ৫কিন্তু আমি কোনো কথাত সেই
প্ৰৱঞ্চক ভাইসকলে বিচৰা ধৰণে একমত নহয়। আমি
বিচাৰো শুভৰাৰ্তাৰ যি সত্যতা সি তোমালোকৰ আগত
প্ৰকাশ হৈ থাকক।
৬কিন্তু জনা শুনা প্ৰতিস্থিত লোকসকলৰ পৰা মই
একো পোৱা নাই।(তেওঁলোক যিয়েই নহওক, মোত
একো প্ৰয়োজন নাই। কিয়নো সকলো মানুহ ঈশ্বৰৰ
দৃষ্টিত সমান)। সেই সন্মানিত ব্যক্তি সকলৰ পৰা মোৰ বা
মোৰ শুভবাৰ্তাৰ একো লাভ নহল। ৭কিন্তু এই পৰিচালক
সকলে দেখা পালে যে পিতৰক দিয়াৰ দৰে, ঈশ্বৰে
মোকো এক বিশেষ কাৰ্য্য ভাৰ অৰ্পণ কৰিছে। পিতৰক
ঈশ্বৰে যিহুদী সকলৰ মাজত শুবৰাৰ্তা প্ৰচাৰৰ কাৰ্য্য অৰ্পণ
কৰিছে। কিন্তু মোক ঈশ্বৰে অযিহুদী লোক সমূহৰ মাজত
শুভৰাৰ্তা প্ৰচাৰৰ কাৰ্য্য অৰ্পণ কৰিছে। ৮যিহুদী সকলৰ
মাজত পাঁচনিৰ কৰ্ম্ম কৰিবলৈ ঈশ্বৰে পিতৰ ক্ষমতা
দিছে। পিতৰ যিহুদী লোক সকলৰ বাবে পাঁচনি আছিল।
ঈশ্বৰে মোকো পাঁচনিৰ কৰ্ম কৰিবৰ বাবে ক্ষমতা দিছে,
কিন্তু যিসকল অ-যিহুদী তেনে লোকসকলৰ মাজততহে।
৯যাকোব, পিতৰ আৰু যোহন যিবিলাক মণ্ডলীৰ স্তম্ভৰূপ
আছিল। তেওঁলোকে দেখিলে যে ঈশ্বৰে মোক পৰিচাৰ্য্য
বাবে এক বিশেষ অনুগ্ৰহ দান কৰিছে, তাতে তেওঁবিলাকে
বাৰ্ণব্বা আৰু মোক গ্ৰহণ কৰিলে৷ তেওঁলোকে আমাক
কলে, “আমি সন্মত হৈছো যে তোমালোক অযিহুদী
সকলৰ ওচৰলৈ যাব লাগে, আৰু আমি যিহুদী বিলাকৰ
ওচৰলৈ যাম।” ১০তেওঁলোকে কেৱল এটি বিষয়ত আমাক
অনুৰুধ কৰিলে, যাতে যিবিলাক দৰিদ্ৰ তেওঁলোকক সহায়
কৰিবলৈ আমি মনত ৰাখো। আৰু এই কৰ্ম কৰিবলৈ
সঁচাকৈয়ে মই ইচ্ছুক আছিলো।

## পৌলে পিতৰ ভুল দেখুউৱা

১১কিন্তু যেতিয়া পিতৰ আন্তিয়খিয়ালৈ আহিল, তেওঁ যিটো
কাম কৰিলে সেইটো শুদ্ধ নাছিল। মই তেওঁৰ বিৰোধে
থিয় দিলো, কিয়নো তেওঁ ভুল কৰিছিল৷ ১২ঘটনাটো এই
ধৰণৰ আছিল, পিতৰ আন্তিয়খিয়ালৈ প্ৰথম বাৰ যেতিয়া
আহিছিল, তেওঁ অযিহুদীৰ লোকসকলৰ সৈতে ভোজন
কৰিছিল আৰু তেওঁবিলাকৰ সঙ্গী হৈছিল। কিন্তু যেতিয়া
যাকোবৰ ওচৰৰ পৰা কিছুমান যিহুদী লোক তেওঁৰ ওচৰলৈ
আহিল, তেতিয়া পিতৰে অযিহুদী সকলৰ পৰা নিজকে
পৃথক কৰিলে। তেওঁ নিজকে পৃথক কৰিছিলে কিয়নো তেওঁ
সেই সকল যিহুদীলোকক ভয় কৰিছিল যি সকলে কৈছিল,
অযিহুদী সকলেও চুন্নত হোৱাতো প্ৰয়োজন৷ ১৩সেয়ে
পিতৰে কপটীয়া বিলাকৰ দৰে আচৰণ কৰিছিল। আৰু আন
আন যিহুদী সকলেও তেওঁৰ সৈতে যোগ দিলে, গতিকে
তেওঁকেও কপটীয়া বিলাকৰ দৰে আচৰণ কৰিলে। আনকি
বাৰ্ণব্বাও সেই যিহুদী সকলৰ বিশ্বাসৰ প্ৰভাবত পৰিছিল।
১৪মই যেতিয়া দেখিলো,তেওঁলোকে শুভৰাৰ্তাৰ যি সত্যতা
তাক অনুসৰণ কৰা নাই তেতিয়া সকলোৰে আগত পিতৰ
লগত কথা হলো, মই কলো, পিতৰ, তুমি এজন যিহুদী,
কিন্তু তুমি তেওঁলোকৰ দৰে নাথাকা। তুমি এজন অযিহুদী
লোকৰ দৰে থকা। গতিকে তুমি কিয় এজন আযিহুদীক
যিহুদীৰ দৰে থাকিবৰ বাবে জোৰ কৰিছা।
১৫আমি জন্মৰে পৰা যিহুদী। আমাৰ পাপী পৰজাতি
সকলৰ লগত কোনো সম্বন্ধ নাই। ১৬কিন্তু আমি জানো
যে বিধান পালন কৰাৰ দ্বাৰাই আমি ঈশ্বৰৰ ওচৰত ধাৰ্মিক
বুলি পৰিগণিত হব নোৱাৰো। কিন্তু যীচু খ্ৰীষ্টত বিশ্বাস
কৰাৰ দ্বাৰাই হে আমি ঈশ্বৰৰ সাক্ষাতে ধাৰ্মিক বুলি গণিত
হওঁ। সেয়ে আমি যিহুদী হৈয়ো যীচু খ্ৰীষ্টত বিশ্বাস কৰিছো,
যাতে আমিও ঈশ্বৰৰ সাক্ষাতে ধাৰ্মিক বুলি গণিত হওঁ। আৰু
আমি কোনো বিধান-ব্যৱস্থা পালন কৰাৰ দ্বাৰাই নহয় কিন্তু
উদ্ধাৰকৰ্তাক বিশ্বাস কৰাৰ যোগেদি আমি ঈশ্বৰৰ সাক্ষাতে
ধাৰ্মিক বুলি গণিত হলো।
১৭সেই গতিকে আমি ঈশ্বৰৰ সাক্ষ্যাতে ধাৰ্মিক বুলি
গণিত হবলৈ, খ্ৰীষ্টৰ লগত আমাৰ যি সম্পৰ্ক তাত আমি
ভৰসা কৰিছো, বিধানত ব্যৱস্থাত নহয়। যদি ইয়ে আমাক
দেখাত অযিহুদী ‘পাপী সকলৰ দৰে কৰিছে, কি ইয়ে বুজাই
নিকি খ্ৰীষ্টৰ কাৰণে আমাৰ পাপ বৃদ্ধি পাইছে। কেতিয়াও
নহয়। ১৮কিয়নো বিধান ব্যৱস্থাই আমি যিহুদী আৰু আন
লোকসকলৰ মাজত এখন দেৱালৰ দৰে হৈছে, যি খন
দেৱাল মই আঁতৰাই পেলাবলৈ যত্ন কৰি আছো। গতিকে
সেই দেৱাল খন আকৌ গঠন কৰাতো নিশ্চয় ভুল হব।
১৯বিধান-ব্যৱস্থাৰ বাবেই মই বিধান ব্যৱস্থাৰ অধীনত থকাৰ
পৰা আঁতৰি আহিলো। সেয়েহে, ঈশ্বৰৰ উদ্দেশ্যে জীয়াই
থাকিবলৈ মই বিধানৰ উদ্দেশ্যে মৰিলোঁ। মই খ্ৰীষ্টৰ সৈতে
ক্ৰুচত হত হলোঁ। ২০গতিকে মই আৰু জীৱিত নহও, কিন্তু
খ্ৰীষ্টহে মোত জীয়াই আছে; মই সেই একেই শৰীৰত জীয়াই
আছো, কিন্তু ঈশ্বৰৰ পুত্ৰত বিশ্বাস কৰাৰ দ্বাৰাই হে মই

জীয়াই আছো। তেওঁৰেই সেই জন যি জনে মোৰ উদ্ধাৰৰ
বাবে আপোন জীৱন দিলে। ২১ঈশ্বৰৰে যি ধৰণে আমালৈ
অনুগ্ৰহ দান কৰিলে তাক মই অৰ্থহীন কৰা নাই। কিয়নো
যদি বিধান-ব্যৱস্থাৰ দ্বাৰাই ঈশ্বৰৰ সাক্ষাতে ধাৰ্মিক বুলি গণিত
হোৱা যায়, তেন্তে খ্ৰীষ্টে অকাৰণে নিজ প্ৰাণ দিলে৷

## বিশ্বাসৰ দ্বাৰা ঈশ্বৰৰ আৰ্শীবাদ লাভ

৩ ১তোমালোক গালাতীয়া সকল ইমান নিৰ্ব্বোধ!
মই কিয় এই কথা কৈছো জানানে? কিয়নো মই
ভাবিছিলো যীচু খ্ৰীষ্ট কিহৰ বাবে ক্ৰুচত মৃত্যু বৰণ কৰিলে
তাক তোমালোকে বুজি পাইছা। মই তোমালোকৰ আগত
স্পষ্ট কৰিছিলো! ইয়াক মই তোমালোকৰ চকুৰ আগত
ছবিৰ নিচিনাকৈ প্ৰকাশ কৰিছিলো। তোমালোকে এই বোৰ
কথা পাহৰিবলৈ কোনোবাই তোমালোকক যাদু কৰিলে
নিকি? ২মোক এটা কথাৰ উত্তৰ দিয়া, তোমালোকে পবিত্ৰ
আত্মা কেনেকৈ লাভ কৰিলা? তোমালোকে বিধান-ব্যৱস্থা
পালন কৰাৰ যোগেদি পবিত্ৰ আত্মা লাভ কৰিলানে? নহয়,
তোমালোকে পবিত্ৰ আত্মা লাভ কৰিলা কিয়নো তোমালকে
যীচুৰ সমন্ধীয় বাৰ্তা শুনিলা আৰু তাত বিশ্বাস কৰিলা।
৩তোমালোকে পবিত্ৰ আত্মাৰ দ্বাৰাই খ্ৰীষ্টত জীৱন আৰম্ভ
কৰিলা। কিন্তু এতিয়া তোমালোক ইমান নিৰ্ব্বোধ যে
তোমালোকে দৈহিক শক্তিৰ ওপৰ নিৰ্ভৰ কৰি নিখুত হম
বুলি ভাবিচা? ৪তোমালোকে বহু বিষয়ৰ অভিজ্ঞতা লাভ
কৰিলা। কি এই সকলো অভিজ্ঞতা অৰ্থহীন হব নিকি?
মই আশা কৰো এই যেন নহয়৷ ৫ঈশ্বৰে তোমালোকক
বিধান-ব্যৱস্থা পালন কৰাৰ বাবে পবিত্ৰ আত্মা দিছিল নেকি?
তোমালোকে বিধান-ব্যৱস্থা পালন কৰাৰ বাবে ঈশ্বৰে
তোমালোকৰ মাজত আচৰিত কৰ্ম্ম কৰিছিল নেকি? নহয়,
ঈশ্বৰে তোমালোকৰ মাজত তেওঁৰ আত্মা দিছিল আৰু
আচৰিত কাৰ্য্য কৰিছিল কিয়নো তোমালকে যীচুৰ সমন্ধীয়
বাৰ্তা শুনিলা আৰু তাত বিশ্বাস কৰিলা।
৬আব্ৰাহামৰ বিষয়ে শাস্ত্ৰই একেই কথা কৈছে:
"আব্ৰাহামে ঈশ্বৰক বিশ্বাস কৰিলে, আৰু যিহেতু তেওঁ
বিশ্বাস কৰিলে, ঈশ্বৰে তেওঁক গ্ৰহন কৰিলে, কাৰণ তেওঁ
তাৰ যোগেদি ঈশ্বৰৰ সাক্ষাতে ধাৰ্মিক প্ৰতিপন্ন হৈছিল৷"[a]
৭গতিকে তোমালোকৰ জনা ভাল, যে যিবিলাক বিশ্বাসৰ
বাটত গল সেইসকলহে আব্ৰাহামৰ প্ৰকৃত সন্তান৷
৮ভৱিষ্যতে কি ঘটিব তাৰ বিষয়ে পবিত্ৰ শাস্ত্ৰত আগেয়ে
লিখা আছিল। এই লিখনি বোৰে কৈছিল যে ঈশ্বৰে
অযিহুদী লোকসমূহক তেওঁলোকৰ বিশ্বাসৰ দ্বাৰা ধাৰ্মিক
প্ৰতিপন্ন কৰিব৷ ঈশ্বৰে আব্ৰাহামক এই শুভবাৰ্তা এই
ঘটনা ঘটাৰ আগেয়ে জনাইছিল। ঈশ্বৰে আব্ৰাহামক কলে,
"তোমাক আশীৰ্বাদ কৰাৰ যোগেদি, মই পৃথিৱীৰ সকলো
লোকক আশীৰ্বাদ কৰিম।"[b] ৯আব্ৰাহামে ঈশ্বৰত বিশ্বাস
কৰিলে, আৰু ঈশ্বৰৰ পৰা আশীৰ্বাদ লাভ কৰিলে। এতিয়া
যি কোনোৱে নিজৰ জীৱন ঈশ্বৰত বিশ্বাস কৰাৰ দ্বাৰাই জীৱ,
ঈশ্বৰৰ সেই একেই আৰ্শীবাদ তেওঁ বিলাকেও লাভ কৰিব।
১০কিন্তু যিবিলাক মানুহে বিধান-ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি
জীৱন ধাৰণ কৰে তেওঁলোক সদায় শাওঁৰ পাত্ৰ হোৱাৰ ভয়
থাকে। শাস্ত্ৰই কোৱাৰ দৰে: "বিধান-ব্যৱস্থাত লিখা সকলো
তেওঁলোকে পালন কৰিব লাগিব। যেতিয়াই তেওঁবিলাক
কোনো এটা বিষয় পালন কৰাত বিফল হব ইয়াত কৈছে,
বিধানে তেওঁবিলাকক শাপগ্ৰস্ত কৰিব। "[c] ১১গতিকে বিধান-
ব্যৱস্থাৰ দ্বাৰাই ঈশ্বৰৰ ওচৰত ধাৰ্মিক প্ৰতিপন্ন হোৱা নাযায়৷
কিয়নো শাস্ত্ৰই স্পষ্ট ভাবে কৈছে: "ঈশ্বৰৰ ওচৰত ধাৰ্মিক
প্ৰতিপন্ন হোৱা জন বিশ্বাসৰ দ্বাৰাই জীৱ।"[d]
১২বিশ্বাসৰ যি জীৱন সি বিধান-ব্যৱস্থা পালন কৰা জীৱনৰ
দৰে নহয়। কিয়নো বিধানে কৈছে, " বিধান-ব্যৱস্থা পালন
কৰাৰ দ্বাৰাই হে এজন মানুহে জীৱন পাব৷"[e] ১৩কিন্তু বিধানৰ
প্ৰতিটো ব্যৱস্থা পালন নকৰাৰ বাবে যি শাপ আমাক ওপৰ
পৰিছিল তাৰ পৰা খ্ৰীষ্টে আমাক মুক্ত কৰিলে। তেওঁ আমাৰ
পাপ বহন কৰাৰ যোগেদি আমাৰ ঠাই তেওঁ ললে। কিয়নো
শাস্ত্ৰই কয়: "যি জনক কাঠত অৰা হয় তেওঁ শাপগ্ৰস্থ৷"[f]
১৪ঈশ্বৰে আব্ৰাহামক কৰা প্ৰতিজ্ঞা অনুসৰি সকলো মানুহে
যাতে আশীৰ্বাদ পায় তাৰ বাবে খ্ৰীষ্ট যীচুৰে এই কাৰ্য্য সম্পন্ন
কৰিলে। খ্ৰীষ্ট মৰিল, যাতে তেওঁত বিশ্বাস কৰাৰ দ্বাৰাই
আমি ঈশ্বৰৰ সেই প্ৰতিজ্ঞাৰ আত্মা পাওঁ৷

## ব্যৱস্থাৰ বিধান আৰু প্ৰতিশ্ৰুতি

১৫মোৰ ভাই সকল, মই তোমালোকৰ ওচৰত প্ৰতি দিনৰ
জীৱনৰ পৰা এটি উদাহৰণ দিওঁ: দুজন ব্যক্তিৰ মাজত হোৱা
এটা চুক্তিৰ কথা চিন্তা কৰা৷ সেই চুক্তি এবাৰ বৈধ নিয়ম
হৈ গলে, তাক কোনোৱে ৰখাব বা তাত একো যোগ কৰিব
নোৱাৰে, আৰু কোনোৱে তাক অৱজ্ঞা কৰিব নোৱাৰে।
১৬ঈশ্বৰে আব্ৰাহাম আৰু তেওঁৰ পৰিয়ালক প্ৰতিশ্ৰুতি
দিছিল৷ শাস্ত্ৰই তোমাৰ পৰিয়াল বিলাকলৈ কোৱা নাই।
ইয়ে বহু পৰিয়ালক বুজালে হয়। কিন্তু ইয়াত কোৱা হৈছে,
"আৰু তোমাৰ পৰিয়াললৈ। " ইয়াৰ অৰ্থ কেৱল এটা পৰিয়াল,
আৰু আমি সেই "এক পৰিয়াল" খ্ৰীষ্টত দেখা পাওঁ। [g] ১৭মই
এই কথা কবলৈ বিচাৰিছো, যে ঈশ্বৰে আব্ৰাহামৰ সৈতে যি
চুক্তি কৰিছিল, তাক বিধান-ব্যৱস্থা অহাৰ বহু পূৰ্ব্বেই বৈধ
নিয়ম কৰিছিল। বিধান ব্যৱস্থা তাৰ চাৰিশ ত্ৰিচ বছৰৰ পিছত
আহিছিল৷ সেয়ে বিধান-ব্যৱস্থাই ঈশ্বৰে কৰা চুক্তি আৰু
প্ৰতিজ্ঞা লোপ কৰিব নোৱাৰে৷
১৮ঈশ্বৰৰ তেওঁৰ লোকসকলৰ বাবে যি আশীৰ্বাদ আছে
তাক বিধান-ব্যৱস্থাৰ পালনৰ দ্বাৰা নাপায়। যদি সেয়ে সত্য
হল হয়, সেয়া ঈশ্বৰৰ প্ৰতিজ্ঞা নহয় যি আমাৰ ওচৰলৈ

[a] **৩:৬** উদ্ধৃতি আদিপুস্তক ১৫:৬
[b] **৩:৮** উদ্ধৃতি আদি ১২:৩
[c] **৩:১০** উদ্ধৃতি দ্বিতীয় বিবৰণ ২৭:২৬
[d] **৩:১১** উদ্ধৃতি হব ২:৪
[e] **৩:১২ "যে … পাবা"** লেবী ১৮:৫.
[f] **৩:১৩ . .** উদ্ধৃতি দ্বিতীয় বিবৰণ ২১:২৩
[g] **৩.১৬ আদি পুস্তক.** ১২:৭; ১৩:১৫; ১৭:৭; ২৪:৭.

আহে। কিন্তু ঈশ্বৰে প্ৰতিজ্ঞা কৰাৰ দৰে আব্ৰাহামক বিনামুলায়াকৈ আশীৰ্বাদ দান কৰিলে।

১৯তেন্তে বিধান-ব্যবস্থা কিহৰ বাবে? অপৰাধ কি, ইয়াক লোকসমূহক বুজাবৰ বাবে বিধান-ব্যবস্থাক পিছত সন্নিবিষ্ট কৰা হয়। কিন্তু ই কেৱল আব্ৰাহামৰ সেই প্ৰতিজ্ঞাৰ পৰিয়াল অহা কাললৈকেহে। ঈশ্বৰে মোচিক বিধান ব্যৱস্থা দিবৰ বাবে স্বৰ্গদূত ব্যৱহাৰ কৰিছিল৷ আৰু মোচিয়া সেই বিধান ব্যৱস্থা লোকসমূহক দিবৰ বাবে মধ্যস্থতাৰ ভূমিকা পালন কৰিছিল। ২০কিন্তু এতিয়া চোৱা মধ্যস্থ দুই পক্ষৰ মাজত কৰা হয়, কিন্তু ঈশ্বৰ কেৱল এজনহে।

### মোচিৰ বিধান-ব্যবস্থাৰ উদ্দেশ্য

২১তেন্তে কি বিধান-ব্যবস্থাই ঈশ্বৰৰ বাক্যৰ বিৰুদ্ধে কাম কৰে নেকি? নিশ্চয়কৈ নহয়। ঈশ্বৰে বিধান-ব্যবস্থাৰ দ্বাৰাই মানুহক নতুন জীৱন দিয়াৰ ব্যৱস্থা কৰা নাছিল। যদি সেয়ে হল হয়, তেন্তে বিধান-ব্যবস্থা পালন কৰাৰ দ্বাৰই আমি ঈশ্বৰৰ ওচৰত ধাৰ্মিক প্ৰতিপন্ন হলো হয়৷ ২২কিয়নো বিধান ব্যৱস্থাৰ উদেশ্য সেয়া নাছিল। শাস্ত্ৰই পাপৰ অধীনত থকা বিশ্বৰ সকলো লোকক নিজৰ বন্দী কৰাৰ দ্বৰে কৰিলে। ইয়াৰ ফল স্বৰূপে, মানুহ বিলাকৰ ঈশ্বৰৰ প্ৰতিজ্ঞা লাভ কৰাৰ এক মাত্ৰ পথ হল যীচু খ্ৰীষ্টত বিশ্বাস কৰাৰ যোগেদি। ইয়াক সেই সকলক দিয়া হল, যি সকলে তেওঁত বিশ্বাস কৰে।

২৩এই বিশ্বাসী জন অহাৰ আগেয়ে, আমাক বিধান-ব্যবস্থাই ইয়াৰ অধীনত বন্দীৰ দৰে ৰাখিছিল। যেতিয়ালৈকে আমি সেই বিশ্বাসৰ কথা জনা নাছিলো তেতিয়া লৈকে আমাৰ কোনো স্বাধীনতা নাছিল। ২৪মই কব বিচাৰিছো যে খ্ৰীষ্ট নহালৈকে বিধান-ব্যৱস্থা আমাৰ ৰখীয়া হিচাপে আছিল। যাতে আমি তেওঁত বিশ্বাস কৰাৰ দ্বাৰাই ঈশ্বৰৰ আগত ধাৰ্মিক বুলি প্ৰতিপন্ন হব পাৰো। ২৫এতিয়া যেতিয়া সেই বিশ্বাস আমাৰ মাজত আহিছে, এতিয়া বিধান-ব্যবস্থাৰ আমাৰ ওপৰত কোনো অধিকাৰ নাই।

২৬কিয়নো তোমালোক সকলো খ্ৰীষ্টৰ হলা। গতিকে বিশ্বাসৰ দাৰা এতিয়া তোমালোক সকলোৱে ঈশ্বৰৰ সন্তান৷ ২৭মই এই কথা কব পাৰো কিয়নো তোমালোক সকলোৱে খ্ৰীষ্টত বাপ্তিস্ম হলা। গতিকে তোমালোক সকলোৱে নতুন পোচাক পিন্ধাৰ দৰে খ্ৰীষ্টক পিন্ধিলা। ২৮এতিয়া খ্ৰীষ্ট যীচুত যিবিলাক আছে তেওঁলোকৰ মাজত পুৰুষ বা মহিলা কোন নাই, যিহুদী কি গ্ৰীক, মুক্ত বা দাস মাজত কোন পাৰ্থক্য নাই৷ কিয়নো খ্ৰীষ্ট যীচুত তোমালোক সকলো এক পৰিয়াল৷ ২৯তোমালোক খ্ৰীষ্টৰ, সেয়ে তোমালোক আব্ৰাহামৰ বংশধৰ; আব্ৰাহামক ঈশ্বৰে যি আশীৰ্বাদ দিছিল তোমালোকো একে আশীৰ্বাদৰ অধিকাৰী৷

৪ ১মই তোমালোক এই কথা কৈছো, যদিও লৰা-ছোৱালীয়ে উত্তৰাধিকাৰী সুত্ৰে পিতৃৰ সকলোবোৰ পায় তথাপি যিমানদিন শিশু হৈ থাকে সিমান দিন তেওঁ আৰু এজন দাস মাজত কোন পাৰ্থক্য নাথাকে; যদিও সেই লৰা-ছোৱালীয়ে সকলোবোৰৰ মালিক৷ ২যেতিয়া লৈকে তেওঁলোক সৰু হৈ থাকে, তেওঁলোকক পৰিচালনা কৰিবলৈ বাচি দিয়া সকলৰ কথা অনুসাৰে চলিব লাগিব। কিন্তু তেওঁলোকৰ পিতৃয়ে ধাৰ্য্য কৰি দিয়া বয়স হলে, তেওঁলোক মুক্ত হয়৷ ৩এই কথা আমাৰ পক্ষেও একেই৷ এসময়ত আমি শিশু পৰ্যায়ত আছিলো, তেতিয়া আমি এই জগতৰ শক্তি বিলাকৰ দাস আছিলো, ৪কিন্তু যেতিয়া সঠিক সময় আহিল, ঈশ্বৰে তেওঁৰ পুত্ৰক পঠালে, এগৰাকী তিৰোতাৰ দ্বাৰা জন্ম লাভ কৰিলে আৰু বিধানৰ অধীন হল। ৫ঈশ্বৰে এই দৰে কৰিলে যাতে যি বিলাক বিধানৰ অধীনত আছিল তেওঁলোকক মুক্ত কৰিব পাৰে। যাতে আমি ঈশ্বৰৰ সন্তান হব পাৰো এয়েই তেওঁৰ উদেশ্য।

৬যিহেতু তোমালোক এতিয়া ঈশ্বৰৰ সন্তান, তেওঁৰ পুত্ৰৰ যি আত্মা তাক তোমালোকৰ অন্তৰলৈ পঠাই দিলে। আৰু সেই আত্মাই হে আব্বা, হে পিতৃ এই বুলি মাতে৷ ৭এতিয়া তোমালোক আগৰ নিচিনা দাস নোহোৱা। এতিয়া তোমালোক ঈশ্বৰৰ সন্তান হলা, আৰু তেওঁ তেওঁৰ সন্তান বোৰক কৰা সকলো প্ৰতিজ্ঞাৰ ভাগ তোমালোকেও লাভ কৰিবা।

### গালাতীয়াৰ বিশ্বাসীৰ বাবে পৌলৰ প্ৰেম

৮আগতে তোমালোকে ঈশ্বৰক জানা নাছিলা। তেতিয়া তোমালোক দেৱতা বিলাকৰ দাস আছিলা যি প্ৰকৃত ঈশ্বৰ নহয়৷ ৯কিন্তু তোমালোকে এতিয়া সত্য ঈশ্বৰক জানিছা। সঁচাকৈ, যদিও, এইয়া ঈশ্বৰেহে যি তোমালোকক জানিলে। গতিকে তোমালোক কিয় আকৌ আগতে অনুকৰণ কৰা সেই দূৰ্বল আৰু অৰ্থহীন শক্তি বোৰলৈ ঘুৰি গৈছা? তোমালোক আকৌ সেই সকলোৱে দাস হব বিচৰা নেকি? ১০তোমালোকলৈ মোৰ ভয় হয় কিয়নো তোমালোকে কেৱল বিশেষ বিশেষ দিন, মাহ, সময় আৰু বছৰ পালন কৰিছা৷ ১১মোৰ ভয় হয় যে তোমালোকৰ মাজত কৰা মোৰ পৰিশ্ৰম ব্যৰ্থ হয়৷

১২হে ভাইসকল, মই তোমালোকৰ নিচিনা হলো। গতিকে অনুগ্ৰহ কৰি তোমালোকও মোৰ নিচিনা হোৱা। আগত তোমালোক মোৰ সৈতে খুব ভাল আছিলা। ১৩তোমালোকে জানা, মই নৰিয়াত থকা বাবে প্ৰথমে তোমালোকৰ ওচৰলৈ আহিছলো। আৰু তেতিয়া শুভবাৰ্তা মই তোমালোকৰ আগত প্ৰচাৰ কৰিছিলো৷ ১৪মোৰ অসুস্থতা তোমালোকৰ ওপৰত এক বোজা হৈছিল, কিন্তু তোমালকে মোৰ প্ৰতি সন্মান দেখুৱাবলৈ নেৰিলা বা মোক যাবলৈ নিদিলা। তাৰ সলনি, তোমালোকে মোক ঈশ্বৰৰ পৰা অহা দূত যেন গন্য কৰি আদৰিলা। তোমালোকে মোক এনেকৈ গ্ৰহন কৰিলা যেন মই স্বয়ং যীচু খ্ৰীষ্টহে। ১৫তেতিয়া তোমালোক খুব আনন্দিত আছিলা। এতিয়া তোমালোকৰ সেই আনন্দ কত? মই তোমালোকৰ সম্বন্ধে এই সাক্ষ্য দিব পাৰো যে তোমালকে মোক সহায় কৰিবৰ বাবে যি কোনো কৰিলা হয়। যদি সম্ভৱ হল হয়, তোমালকে

নিজৰ নিজৰ চকু উলিয়াও মোক দিলা হয়। ১৬এতিয়া
তোমালোকৰ ওচৰত সত্য কওঁ বুলি কি মই তোমালোকৰ
শত্ৰু হৈছো?
১৭সেই লোকসমূহে তোমালোকক পতিয়ন নিয়াবলৈ
অপ্ৰাণ চেষ্টা কৰি আছে, কিন্তু তোমালোকৰ বাবে ই ভাল
নহয়। তেওঁলোকে তোমালোকক আমাৰ বিৰুদ্ধী হবৰ
বাবে ৰাজী কৰাবৰ চেষ্টা কৰিছে আৰু যাতে তেওঁলোকৰ
বাবেহে তোমালোকে যত্নৰে কাম কৰা। ১৮অবশ্যে যত্নৰে
কাম কৰাটো তোমালোকৰ বাবে ভাল, নিশ্চয়, যদিহে ই
কোনো ভাল কামৰ বাবে হয়। মই থাকো বা নাথাকো,
তেনেধৰণ কাৰ্য্যহে তোমালোকে কৰা উচিত। ১৯হে মোৰ
প্ৰিয় সন্তান সকল, তোমালোকৰ বাবে মই আকৌ এবাৰ
প্ৰসৱ বেদনাৰ দৰে যাতনা ভোগ কৰিছো৷ লোক সমূহে
যেতিয়ালৈকে খ্ৰীষ্টক তোমালোকৰ মাজত নেদেখে মই
সিমান দিনলৈ এই যাতনা অনুভৱ কৰি থাকিম। ২০মোৰ
ইচ্ছা মই যদি এতিয়া তোমালোকৰ ওচৰত থাকিলো হয়।
হয়তো মই এতিয়া যি দৰে কথা কৈ আছো তাক সলনি
কৰিব পাৰিলো হয়। এতিয়া মই নাজানো তোমালোকক
লৈ কি কৰিম।

### হাগাৰ আৰু চাৰাৰ উদাহৰণ

২১তোমালোকৰ কোনো লোক বিধানৰ অধীনত থাকোতো
বিচাৰে। তোমালোকে কোৱা, বিধানে কি কয় তাক
তোমালোক কি নাজানা? ২২শাস্ত্ৰই কয় যে আব্ৰাহামৰ দুটি
পুত্ৰ আছিল। এজন পুত্ৰৰ মাতৃ দাসী আছিল আৰু আনজন
পুত্ৰৰ মাতৃ মুক্ত আছিল। ২৩দাসীৰ যোগেদি আব্ৰাহামৰ যি
সন্তান জন্ম হল তেওঁৰ জন্ম সাধাৰণ ভাৱে হৈছিল, কিন্তু
মুক্ত মহিলাৰ যোগেদি আব্ৰাহামে যি সন্তান লাভ কৰিলে
সেয়া ঈশ্বৰৰ আব্ৰাহামৰ ওচৰত কৰা অঙ্গীকাৰ ফল আছিল৷
২৪এই সত্য কাহিনীয়ে আমাৰ বাবে আৰু এটা অৰ্থ হব
পাৰে। এই দুই গৰাকী তিৰোতা ঈশ্বৰ আৰু মানুহৰ মাজত
হোৱা দুখন চুক্তি দৰে হব পাৰে। যি সকল লোক এই খন
চুক্তিৰ অধীনত আছে তেওঁলোক দাসৰ দৰে। যি গৰাকী
মাতৃৰ নাম হাগাৰ তেওঁ এই চুক্তি খনৰ দৰে। ২৫সেয়ে
হাগৰ আৰব দেশৰ চিনয় পৰ্ব্বতৰ নিচিনা৷ তাই পৃথিৱীত
থকা যিহুদী সকলৰ যেৰুচালেমৰ চিত্ৰস্বৰূপ। কিয়নো সেই
যেৰুচালেম দাসত্বত আছে, আৰু ইয়াত থকা সকলো লোক
বিধানৰ দাস হয়। ২৬কিন্তু ওপৰত থকা যি স্বৰ্গীয় যেৰুচালেম
সি মুক্ত তিৰোতা গৰাকীৰ দৰে, যি আমাৰ মাতৃ। ২৭কিয়নো
শাস্ত্ৰত লিখা আছে:

"হে বন্ধ্যা! আনন্দ কৰা
তুমি কাকো জন্ম দিয়া নাই
আনন্দিত হোৱা, তোমাৰ প্ৰসৱ বেদনা
নাই হোৱা, আৰু হাঁহি-মাতি উল্লাস কৰা।
কিয়নো, স্বামী থকা গৰাকীতকৈও অকলশৰীয়া
জনীৰ অধিক সন্তান হব।" *যিচয়াই ৫৪:১*

২৮ভাই সকল, তোমালোক সেই ইচাহাকৰ নিচিনা
যি ঈশ্বৰৰ অঙ্গীকাৰ সন্তান৷ ২৯কিন্তু আব্ৰাহামৰ আন জন
পুতেক, যি জন সাধাৰণ ভাৱে জন্ম হৈছিল, তেওঁ আত্মাৰ
শক্তিত জন্মা পোৱা জনৰ বিঘিনি জন্মাইছে। সেয়া আজিও
একে। ৩০কিন্তু পবিত্ৰ শাস্ত্ৰই কি কয়? "দাসীৰে সৈতে
তেওঁৰ পুত্ৰক পেলাই দিয়া! মুক্ত মহিলাৰ পুত্ৰই পিতৃৰ
যি আছে সেই সকলো পাব, কিন্তু দাসী মহিলা গৰাকীৰ
পুত্ৰই একো নাপাব।"[a] ৩১সেয়ে, হে ভাই সকল, আমি
সেই দাসীৰ মহিলা গৰাকীৰ সন্তান নহও, আমি মুক্ত মহিলা
গৰাকীৰহে সন্তান৷

### মুক্ত হৈ থাকিবা

৫ ১আমাৰ এতিয়া স্বাধীনতা আছে, কিয়নো খ্ৰীষ্টে
আমাক মুক্ত কৰিছে। গতিকে তোমালোকৰ এই
স্বাধীনতাত দৃঢ়তাৰে থিয় হৈ থাকা। আকৌ পুনৰ সেই
দাসত্বলৈ ঘুৰি নাযাবা। ২শুনা! মই পৌলে কওঁ, যদি
তোমালোক চুন্নত হোৱাৰ দ্বাৰাই আকৌ বিধান অনুকৰণ
কৰা, তেন্তে খ্ৰীষ্টে তোমালোক সহায় কৰিব নোৱাৰিব।
৩আকৌ, মই প্ৰতি জনকে সাৱধান কৰো যদি তোমালোকে
চুন্নত্ হবলৈ নিজকে অনুমতি দিয়া, তেন্তে তোমালোকে
সম্পূৰ্ণ বিধান পালন কৰিব লাগিব৷ ৪তোমালোক যিবিলাক
বিধান-ব্যৱস্থাৰ দ্বাৰা ঈশ্বৰৰ সাক্ষাতে নিৰ্দোষী হব চেষ্টা
কৰিছা, তেওঁলোকে খ্ৰীষ্টৰ কাষৰ পৰা পৰস্পৰে পৃথক
কৰিলা আৰু ঈশ্বৰৰ অনুগ্ৰহ পৰা হৈছা৷ ৫মই এই কথা
তোমালোকক কৈছো কিয়নো আমি বিশ্বাসৰ দ্বাৰাই ঈশ্বৰৰ
সাক্ষাতে নিৰ্দোষী হবলৈ আশা কৰিছো। আৰু আত্মাই
আমাক সহায় কৰে যেতিয়া আমি সেই আশা পুৰণৰ
অপেক্ষাত থাকো। ৬কিয়নো যেতিয়া কোনো এজন খ্ৰীষ্ট
যীচুৰ হয়, তেতিয়া তেওঁ চুন্নত্ হয় বা নহয় সেয়া গুৰুত্বপূৰ্ণ
নহয়। কিন্তু গুৰুত্ব পূৰ্ণ বিষয়টো হল বিশ্বাস, যি বিশ্বাসে
প্ৰেমৰ যোগেদি কাৰ্য্য কৰে।
৭তোমালোকে ইমান ভাল দৰে খ্ৰীষ্ট জীৱন যাপন কৰি
আছিলা। এতিয়া কোনে তোমালোকক সত্যক অনুকৰণ
কৰাৰ পৰা বিৰত কৰিলে? ৮যিজনে তোমালোকক আহ্বান
কৰিছে, সেই জনে নিশ্চয় কৰা নাই। ৯সাৱধান হোৱা!
"অলপ খমিৰে গোটেই পাউৰুটী খন ফুলাই পেলাই।"
১০প্ৰভুত মোৰ সম্পূৰ্ণ বিশ্বাস আছে যে তোমালোকে
সেই বেলেগ বেলেগ শিক্ষাত বিশ্বাস নকৰা। কোনোবাই
তোমালোকক ভুলাবলৈ চেষ্টা কৰি আছে। তেওঁ যি
কোনোৱেই নহক কিয়, শাস্তি তেওঁ পাব৷
১১হে ভাই সকল, মই পুৰুষৰ সমন্ধে এই শিক্ষা নিদিও
যে তেওঁ বিলাকে চুন্নত হব লাগে। মই যদি এতিয়াও চুন্নতৰ
প্ৰয়োজন সম্বন্ধে শিক্ষা দিলো হয়, তেন্তে মই এতিয়া
লৈকে কিয় যাতনা ভোগ কৰি থাকিলো হয়? আৰু যদি মই
এতিয়াও চুন্নতৰ প্ৰয়োজন সম্বন্ধে শিক্ষা দিলো হয় তেন্তে

[a] ***৪:৩০*** উদ্ধৃতি আদি পুস্তক ২১:১০

ক্ৰুচৰ কথা কবলৈ কোনো সমস্যা নহল হয়। ১২মোৰ এনে
ইচ্ছা হয়, যিবিলাকে তোমালোকক অস্থিৰ কৰি তুলিছে,
তেওঁলোকে তেওঁলোকৰ চুন্নত লগতে নিজকে নিজে
ছেদন কৰা ভাল।
১৩কিন্তু ভাই সকল, ঈশ্বৰে তোমালোকক মুক্ত কৰিবৰ
বাবে আহ্বান কৰিছে। কিন্তু তোমালোকৰ স্বাধীনতাক
তোমালোকৰ মাংসিক অবিলাষেৰে পূৰণ কৰিবলৈ সুযোগ
নলবা। কিন্তু প্ৰেমেৰে পৰস্পৰক সেৱা কৰা। ১৪গোটেই
বিধান খন কেৱল এইটো আদেশেই সম্পূৰ্ণ কৰে: "তোমাৰ
চুবুৰীয়াক নিজৰ দৰে প্ৰেম কৰা।"[a] ১৫কিন্তু তোমালোক যদি
পৰস্পৰক আঘাট দিছা আৰু এজনে আন জনৰ শেষ কৰিব
বিছাৰিছা, তেন্তে সাৱধান! যাতে তোমালোক সম্পূৰ্ণ কৈ
বিনষ্ট নোহোৱা।

## মানুহৰ প্ৰকৃতি আৰু আত্মা

১৬সেয়ে মই তোমালোকক কওঁ, তোমালোক আত্মাৰ
দ্বাৰাই পৰিচালিত হোৱা। এতিয়া তোমালোকে মানুহৰ
পাপ প্ৰকৃতি অনুসৰি আৰু পাপ নকৰিবা। ১৭কিয়নো আমাৰ
পাপ প্ৰকৃতিয়ে যি বিচাৰে সি আত্মাৰ বিৰুদ্ধি আৰু আত্মা
যি বিচাৰে সেয়ে পাপ প্ৰকৃতিৰ ইচ্ছাৰ বিৰুদ্ধী। এওঁলোক
পৰস্পৰে পৰস্পৰৰ বিৰোধী। ইয়াৰ অৰ্থ, তোমালোকে যি
বিচৰা তাক কৰিবৰ বাবে তোমালোক স্বধীন নোহোৱা।
১৮কিন্তু তোমালোক যদি আত্মাৰ দ্বাৰা পৰিচালিত হোৱা
তেন্তে তোমালোক বিধান দ্বাৰা পৰিচালিত নোহোৱা।
১৯মানুহ হিচাপে পাপ প্ৰবৃত্তিৰ দূৰ্বলতা সমূহ স্পষ্ট:
সেয়েহে হল যৌন সম্পৰ্কীয় পাপ, ব্যাভিচাৰ আৰু সেই
সকলো লাজৰ কাৰ্য্য। ২০দেৱ পূজক, মায়া কৰ্ম, আনক
ঘৃণা কৰা, আনৰ বিঘিনি জন্মোৱা, হিংসা, স্বাৰ্থপৰতা,
ক্ৰোধ, পৰস্পৰে মাজত বাত বিতৰ্কৰ সৃষ্টি কৰোতা আৰু
বিভেদৰ দাৰা ভিন্ন দল গঠন কৰাওঁতা। ২১ইৰ্ষাৰে পৰিপূৰ্ণ,
মত্ততা, ৰঙ্গৰস আৰু এই ধৰনৰ আন আন অপৰাধ সমূহ।
আগতে তোমালোকক সাৱধান কৰাৰ দৰে মই এতিয়াও
সাৱধান কৰো, তোমালোক যি বিলাকে এই বোৰৰ ভাগী
হৈছা তেওঁবিলাকে ঈশ্বৰৰ ৰাজ্যত ঠাই নাপাব। ২২কিন্তু
আত্মাৰ ফল হল প্ৰেম, আনন্দ, শান্তি, দয়া, মঙ্গল, বিশ্বাস,
২৩নম্ৰতা আৰু ইন্দ্ৰিয় দমন। এই বোৰৰ বিৰুদ্ধে কোন
বিধান নাই। ২৪যিবিলাক খ্ৰীষ্ট যীচুৰ, তেওঁলোকে মাংসিক
অভিলাশ সমূহ ক্ৰুচত দিলে। তেওঁলোকে তেওঁলোকৰ
পুৰণি স্বাভাৱ আৰু তেওঁলোকে কৰিব বিচৰা সকলো
মন্দ প্ৰবৃত্তি ত্যাগ কৰিলে। ২৫আত্মাৰ দ্বাৰাই আমি আমাৰ
নতুন জীৱন পালো, গতিকে আমি আত্মাৰ অধীনত চলিব
লাগে। ২৬আমি যাতে নিজৰ বাবে গৰ্ব নকৰো। আমি যাতে
ইজনে সিজনৰ বিঘিন্ন নজন্মাও বা ইজনে সিজনক ঈৰ্ষা
নকৰো।

[a] ৫.১৪ উদ্ধৃতি লেবী ১৯:১৮

## পৰস্পৰে সহায় কৰিবা

৬ ১হে ভাই সকল, তোমালোকৰ মাজৰ কোনোৱে
কিবা ভুল কৰিব পাৰে। তেতিয়া তোমালোক
যিবিলাকে আত্মিৰ অধীনত চলি আছা তোমালকে সেই
পাপ কৰা জনৰ ওচৰলৈ যাবা আৰু তেওঁক ঠিক বাটত
নিবলৈ সহায় কৰিবা আৰু এইকাম নম্ৰতাৰে কৰিবা।
কিন্তু সাৱধান হবা, কিয়নো তুমিও পাপত পৰিবৰ বাবে
পৰীক্ষিত হব পাৰা। ২তোমালোক ইজনে সিজনৰ ভাৰ
বহন কৰা। তোমালোকে যেতিয়া এই দৰে কৰা, তেতিয়া
তোমালোকে খ্ৰীষ্টৰ বিধান পালন কৰিছা। ৩যদি কোনৱে
নিজকে বৰ গুৰুত পূৰ্ণ বুলি ভাবিছে তেন্তে তেওঁ নিজকে
ভুলাইছে। ৪নিজকে আনৰ লগত তুলনা নকৰিবা। কিন্তু
প্ৰত্যেকে নিজ নিজ কৰ্ম পৰীক্ষা কৰা উচিত যাতে নিজ
কৰ্মক লৈ গৰ্ব নকৰা। ৫কিয়নো তোমালোকৰ যি দায়িত্ব
তাক তোমালোকে গ্ৰহন কৰিব লাগিব।

## যিহকে সিঁচিবা তাকে চপাবা

৬যি জন ব্যক্তিয়ে ঈশ্বৰৰ বাৰ্তাৰ বিষয়ত শিক্ষা লাভ কৰে,
তেওঁ তেওঁৰ সকলো উত্তম বস্তুৰ ভাগ তেওঁক শিক্ষা দিয়া
জনক দিব লাগে।
৭যদি তোমালোকে ঈশ্বৰক ভুৱা দিব পাৰিম বুলি ভাবিছা,
তেন্তে তোমালকে নিজকে ভুৱাইছা। তোমালোকে
যিহকে সিচা তাকে চপাবা। ৮যদি তোমালোকে মাংসিক
অভিলাষ পূৰণৰ অৰ্থে জীৱন নিৰ্বাস কৰা, সেই জীৱনৰ দ্বাৰা
পোৱা ফলে তোমালোকক সম্পূৰ্ণকে ক্ষয় কৰিব। কিন্তু
তোমালোকে যদি আত্মাৰ সন্তোষ্টিৰ বাবে বোৱা তেন্তে
তোমালোকে অনন্ত জীৱন পাবা। ৯ভাল কৰ্ম্ম কৰি আমি
ভগৰি নপৰোঁহক কিয়নো আমি উচিত সময়ত অনন্ত জীৱন
ৰূপ শষ্য ফল লাভ কৰিম। আমি নিৰুৎসাহী নহঁও ইঁক।
১০যেতিয়া আমি আনক সহায় কৰাৰ সুযোগ পাওঁ, আমি
তাক কৰিব লগে। কিন্তু যিবিলাক পৰিয়াল বিশ্বাসী আমি
তেওঁলোকৰ প্ৰতি বিশেষ যতন লব লাগে।

## পৌলৰ শেষ কথা

১১চোৱা, মই স্বয়ং তোমালোকলৈ কিমান ডাঙৰ ডাঙৰ
আখৰেৰে নিজ হাতে লিখিলো। ১২যিবিলাকে তোমালোকক
চুন্নত্ কৰিবৰ চেষ্টা কৰিছে, তেওঁলোকৰ উদ্দেশ্য হল যাতে
তেওঁলোকৰ নিজৰ লোকসমূহে তেওঁলোকক গ্ৰহন কৰে।
তেওঁলোকে খ্ৰীষ্টৰ ক্ৰুচৰ অৰ্থে যেন তাড়না নাপায় তাৰ
অৰ্থেহে তাকে কৰে। ১৩তেওঁবিলাক চুন্নত্ হোৱা লোক,
কিন্তু তেওঁ বিলাকে নিজেও বিধান পালন নকৰে। তেওঁ
বিলাকে তোমালোকক চুন্নত্ কৰিব বিচাৰিছে যাতে তেওঁ
বিলাকে এই বিষয়ত গৰ্ব কৰিবৰ সুযোগ পাব।
১৪আশা কৰো মই এনে বিষয়ত কেতিয়াও গৰ্ব নকৰিম।
প্ৰভু যীচু খ্ৰীষ্টৰ ক্ৰুচৰ বাহিৰে মোৰ গৰ্ব কৰিবৰ একো
নাই। যীচুৰ ক্ৰুচীয় মৃত্যুৰ দ্বাৰাই জগতখন মোৰ ওচৰত
আৰু মই জগতৰ ওচৰত ক্ৰুচত হত হলো। ১৫চুন্নত বা

অচুন্নতৰ কোনো মহত্ব নাই, কিন্তু নতুন জীৱনহে মহত্বপূৰ্ণ।
১৬সেইয়ে যি মানুহবিলাকে সেই ধৰ্ম নিয়ম মানি চলে
তেওঁলোকৰ ওপৰত আৰু ঈশ্বৰৰ ইস্ৰায়েলৰ ওপৰতো
শান্তি আৰু দয়া হওঁক।।

১৭সেয়েহে মোক আৰু কষ্ট নিদিবা। মোৰ দেহত যি ক্ষত
বিক্ষত দাগ সমূহ আছে সেইয়ে প্ৰমাণ দিয়ে যে মই খ্ৰীষ্টৰ।
১৮হে ভাই সকল, প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ তোমালোক
প্ৰত্যেকৰে আত্মাৰ লগত থাকক। আমেন৷